# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-02-2025
**Time :** 0755 Hrs

## *Assamese Morning Bulletin*
ooooo

বিনিয়োগ সন্মিলন এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে কমেও ১ লাখ কোটি টকা বিনিয়োগৰ আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি জনতা ভৱনত এখন সংবাদ মেলত এই কথা সদৰি কৰি কয় যে বৰ্তমানলৈকে প্ৰায় এহেজাৰ ৫১২খন বুজাবুজি চুক্তিৰ প্ৰস্তাৱ আহিছে। তেওঁ কয় যে চৰকাৰে এইবাৰ বাস্তৱসন্মত বুজিবুজিৰ চুক্তিহে স্বাক্ষৰ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সংশ্লিষ্ট বিভাগসমূহে প্ৰস্তাৱসমূহ চালি-জাৰি চাই আছে আৰু অহা ২৩ ফেব্ৰুৱাৰীত হ'বলগীয়া মন্ত্ৰীসভাৰ বৈঠকত আলোচনা কৰি এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। মন্ত্ৰীসভাই অনুমোদন জনোৱা বুজাবুজি চুক্তিবোৰহে স্বাক্ষৰ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মুখমন্ত্ৰীগৰাকীয়ে কয়, যে এই এহেজাৰ ৫১২খন বুজাবুজি চুক্তিৰ প্ৰস্তাৱৰ উপৰি ৰাজ্যৰ বিভিন্ন উদ্যোগীয়ে প্ৰায় ১২ হাজাৰ কোটি টকাৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ প্ৰস্তাৱ দিছে। আজিম প্ৰেমজী ফাউণ্ডেশ্যনে ৰাজ্যত এখন বিশ্ববিদ্যালয় আৰু বেদান্ত গ্ৰুপে এখন চিকিৎসালয় স্থাপন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা বুলি উল্লেখ কৰি ড° শৰ্মাই সন্মিলনত দেশৰ প্ৰসিদ্ধ উদ্যোগপতিসকলে নিজ নিজ বিনিয়োগৰ বিষয়ে ঘোষণা কৰিব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিশেষ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বৈদেশিক বিনিয়োগ সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ভুটান, জাপান, ছিংগাপুৰ, থাইলেণ্ড আৰু দক্ষিণ কোৰিয়াৰ প্ৰতিনিধি দলে এই বিনিয়োগ সন্মিলনত অংশগ্ৰহণ কৰিব। ভুটানৰ দলটোক দেশখনৰ কৃষিমন্ত্ৰীয়ে নেতৃত্ব দিব। মালয়েছিয়াৰ এটা প্ৰতিনিধিৰ দলেও সন্মিলনত ভাগ লোৱাৰ সম্ভাৱনা আছে। এই সন্মিলনত অংশগ্ৰহণ কৰিবলৈ ৩৫খন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকল আহিব বুলি প্ৰকাশ কৰি ড° শৰ্মাই কয় যে এই সংখ্যা ৫০লৈ বৃদ্ধি হ'ব পাৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্ত সকলৰ বাবে বিশেষ বিমানৰ ব্যৱস্থা কৰিছে। তেওঁলোকে ২৩ ফেব্ৰুৱাৰীত অসমলৈ আহিব আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ যাব। ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকলে ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীলৈ আহিব আৰু ঝুমুইৰ বিনন্দিনী অনুষ্ঠান উপভোগ কৰিব আৰু ২৫ ফেব্ৰুৱাৰীত এডভান্টেজ আছামৰ অনুষ্ঠানত অংশ ল'ব।

ইপিনে, অষ্ট্ৰেলিয়া আৰু জাৰ্মানীয়ে অসম ভ্ৰমণৰ ক্ষেত্ৰত জাৰি কৰা নিষেধাজ্ঞা বিষয়টো পুনৰীক্ষণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অষ্ট্ৰেলিয়াই ইতিমধ্যে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন আফস্পা বলবৎ হৈ থকা উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বাহিৰে ৰাজ্যৰ অন্য অংশ ভ্ৰমণৰ ক্ষেত্ৰত থকা বাধানিষেধ প্ৰত্যাহাৰ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ এডভান্টেজ আছাম দ্বিতীয় সংস্কৰণ আৰু ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২৫ ফেব্ৰুৱাৰীত বিনিয়োগ সন্মিলনখন উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে ২৪ ফেব্ৰুৱাৰীত

সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া ঝুমইৰ বিনন্দিনী অনুষ্ঠানত ঝুমুৰ নৃত্য উপভোগ কৰাৰ পাছত সেইদিনাই তেওঁ দুখন জনগোষ্ঠীয় প্ৰদৰ্শনীত উপস্থিত থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

বিহু আৰু ঝুমুৰৰ পাছতে বাগৰুম্বা নৃত্যৰ অভিলেখ গঢ়াৰ বাবে ৰাজ্য চৰকাৰে চলিত বছৰতে পদক্ষেপ গ্ৰহণ কৰিব। খানাপাৰা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতিৰ বুজ লৈ সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰী কৰে। অসমৰ নৃত্যক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকী কৰি দিয়াৰ এই পৰিকল্পনা ব্যক্তি কৰি তেওঁ কয়, যে অহা অক্টোবৰৰ পৰা ডিচেম্বৰৰ ভিতৰত এই কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। ইয়াৰ পাছৰ পৰ্যায়ত ৰাজ্যৰ ১ কোটি লোকক লৈ একেলগে জাতীয় সংগীত পৰিৱেশনৰো পৰিকল্পনা কৰিছে বুলি তেওঁ ব্যক্ত কৰে।

উল্লেখযোগ্য যে, অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত আজিৰে পৰা কেন্দ্ৰীয়ভাৱে আখৰাৰ আয়োজন কৰা হৈছে। ইতিমধ্যে এই অনুষ্ঠানত অংশলোৱাৰ উদ্দেশ্যে চৰাইদেউ, লখিমপুৰ, ডিব্ৰুগড় আদিকে ধৰি বিভিন্ন জিলাৰ পৰা ঝুমুৰ নৃত্যৰ শিল্পীসকল আহি গুৱাহাটীত বাহৰ পাতিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী আয়োগৰ উপাধ্যক্ষ অঞ্জনা পানোৱাৰে কালি যোৰহাটত উপস্থিত হৈ নগৰখনৰ বিভিন্ন স্থান পৰিদৰ্শন কৰি চাফাই কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে। যোৰহাটৰ বাল্মিকী কলনী, হৰিজন কলনী আদি স্থান পৰিদৰ্শনৰ পাছতে উপাধ্যক্ষগৰাকীয়ে যোৰহাট আৰৰ্ত ভৱনৰ সভাকক্ষত সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখনি গুৰুত্বপূৰ্ণ সভাত মিলিত হয়। জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ উপস্থিতিত অনুষ্ঠিত এই সভাত ছাফাই কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ সামাজিক, অৰ্থনৈতিক তথা শৈক্ষিক জীৱনৰ মান উন্নত কৰাৰ ক্ষেত্ৰত ল'বপৰা বিভিন্ন পদক্ষেপৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত উপাধ্যক্ষগৰাকীয়ে জিলাখনৰ চাফাইকৰ্মীসকলৰ অভাৱ-অভিযোগ তথা মজুৰিকে ধৰি বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি সংশ্লিষ্ট সকলোৰে প্ৰতি আহ্বান জনায়।

ooooo

মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ অধীনত মৰান ৰাজহ চক্ৰত ৰূপায়ণ হৈ থকা জিঅ' টেগিঙৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ ল'বলৈ কালি ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে চক্ৰ বিষয়াৰ কাৰ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত তেওঁ মাটিৰ শ্ৰেণী পৰিৱৰ্তন, উত্তৰাধিকাৰী সূত্ৰে মাটিৰ নামজাৰি, মাটিৰ ভাগবতৰা, নাম শুধৰনি আদি কাম-কাজ সময়মতে সম্পাদন কৰা হৈছে নে নাই আৰু আপত্তিবিহীন প্ৰমাণ পত্ৰ প্ৰদান প্ৰক্ৰিয়াৰো খতিয়ান বিচাৰে। জিলা আয়ুক্তগৰাকীয়ে ভূমি সম্পৰ্কীয় সকলো কাম-কাজ সময়মতে সম্পাদন কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তেওঁ লগতে মৰান টাউন এলেকাত সৃষ্টি হোৱা যান-জঁট সমস্যা সন্দৰ্ভতো বিভাগীয় বিষয়াসকলৰ সৈতে পৰ্যালোচনা কৰে।

ooooo

**সমাপ্ত**